স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

ধবাৰ □ ১১ কাতি ১৯৪৭ শক □ ২৯ অক্টোবৰ ২০২৫ চন □ VOL-15 □ NO-232 □ WEDNESDAY 29 OCTOBER 2025 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE-1

### সুপ্ৰভাত

আজিৰ দিনটোতে—

ষ্ট্ৰোক দিৱস

ছ'ৰিয়েছিছ দিৱস

ত গণতন্ত্ৰ দিৱস

৫ত ভাৰতীয় বক্সাৰ বিজেন্দৰ সিঙৰ জন্ম

৯ত নাট্যকাৰ সত্যপ্ৰসাদ বৰুৱাৰ জন্ম

০ত আমেৰিকান বিজ্ঞানী বাৰুজ বেনাকেৰৰাফৰ জন্ম

## অৰ্থনৈতিক বাধা কেতিয়াও শিক্ষাৰ হেঙাৰ হ'ব নোৱাৰে ঃ মন্ত্ৰী প্ৰশান্ত ফুকন

# কানৈ কলেজত নিযুত মইনা আঁচনিৰ চেক বিতৰণ

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৮ অক্টোবৰ ঃ 'অৰ্থনৈতিক বাধা কেতিয়াও শিক্ষাৰ হেঙাৰ হ'ব নোৱাৰে।' অসম চৰকাৰ আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অভিলাষী আঁচনি নিযুত মইনা-২.০ৰ ডিব্ৰুগড় হনুমানবক্স' সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ চেক বিতৰণ অনুষ্ঠানত কালি মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম চৰকাৰৰ শক্তি, দক্ষতা বিকাশ, উদ্যমিতা আৰু চিকিৎসা শিক্ষা বিভাগৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনে এইদৰে কয়। মুখ্য দ্বাৰৰ পৰা গায়ন- বায়ন আৰু এনচিচিৰ কেডেটে আদৰণি জনাই অনা অনুষ্ঠানটিত মন্ত্ৰী ফুকনে ছাত্ৰীসকলক উদ্দেশ্যি কয় যে অসমৰ দৰে ৰাজ্যত যদিও অৰ্থনৈতিক সমস্যাক শিক্ষাৰ প্ৰধান অন্তৰায় হিচাপে গণ্য কৰা হয়, তথাপি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে যোৱা সময়ছোৱাত লোৱা ব্যাপক প্ৰগতিশীল আঁচনিসমূহে শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া এই অন্তৰায়ক বহুক্ষেত্ৰত সমাধান কৰিবলৈ সক্ষম হৈছে। তাৰে এটা উদাহৰণ হ'ল মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি। মন্ত্ৰী ফুকনে কয়— ৰাজ্যৰ প্ৰায় দশ লাখ ছাত্ৰীক সামৰি আৰম্ভ হোৱা এই আঁচনিয়ে নিম্ন মধ্যবিত্ত আৰু দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰা পৰিয়ালৰ ছাত্ৰীসকলৰ শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাসমূহক প্ৰতিহিত কৰাত অতি ফলপ্ৰসূ হিচাপে পৰিগণিত হৈছে। অধ্যাপক শিৱনাথ চুতীয়াই আঁত ধৰা অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয়— বাল্য বিবাহ ৰোধক প্ৰধান লক্ষ্য হিচাপে লৈ আৰম্ভ হোৱা এই অভিলাষী আঁচনিখনে জনসাধাৰণৰ ব্যাপক সঁহাৰি লাভ কৰি দ্বিতীয় বৰ্ষৰ সংস্কৰণত ইতিমধ্যেই পাঁচ লক্ষাধিক ছাত্ৰীক সামৰি লৈছে। শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অৰ্পণেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটিত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই



আদৰণী ভাষণ প্ৰদান কৰি কয়— মুখ্যমন্ত্ৰীৰ নিযুত মইনাৰ দৰে আঁচনিয়ে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ নামভৰ্তিৰ গড় অনুপাত বৃদ্ধি কৰাৰ যি অভিলাষী উদ্দেশ্য, সেয়া সফল কৰাত উল্লেখযোগ্য অৰিহণা আগবঢ়াব। অধ্যক্ষগৰাকীয়ে লগতে কয়— এই আঁচনিয়ে ছাত্ৰীসকলৰ আধাতে শিক্ষা ব্যৱস্থাৰ পৰা আঁতৰি যোৱা যি প্ৰৱণতা, সেয়া ৰোধ আৰু ছাত্ৰীসকলক শিক্ষা ব্যৱস্থাৰ পৰিসীমাৰ ভিতৰত সক্ৰিয়ভাৱে অন্তৰ্ভুক্ত কৰি মানৱ সম্পদৰ এক অনবদ্য অংগ হিচাপে গঢ়ি তোলাত উল্লেখ্যযোগ্য অৱদান আগবঢ়াব। মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত পুৱা ১১ বজাৰ পৰা অনুষ্ঠিত অনুষ্ঠানত মহাবিদ্যালয়ৰ স্নাতক প্ৰথম, তৃতীয় বৰ্ষ আৰু স্নাতকোত্তৰ প্ৰথম আৰু তৃতীয় বৰ্ষৰ ৮৯৭গৰাকী ছাত্ৰীক মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি-২.০ৰ চেক বিতৰণ কৰা হয়। অনুষ্ঠানত ডিব্ৰুগড় জিলাৰ অতিৰিক্ত আয়ুক্ত (শিক্ষা) বিৰাজ বৰুৱা, কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতিপ্ৰসাদ ফুকন, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈৰ লগতে ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু আঠ শতাধিক ছাত্ৰী উপস্থিত থাকে। শেষত শলাগৰ শৰাই আগবঢ়ায় অধ্যাপিকা ড° জুৰী বৰুৱাই।